# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-01-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

পুলিন-পুথাওসকলৰ উপাসনা আৰু স্মৃতি তৰ্পনেৰে আজি ৰাজ্যজুৰি টাই আহোমসকলৰ পৰম্পৰাগত ধৰ্মীয় আৰু সামাজিক উৎসৱ মে-ডাম-মে-ফী পালন কৰা হয়।

গুৱাহাটী মহানগৰীৰ বিভিন্ন ঠাইতো পৰম্পৰাগত ৰীতি-নীতিৰে আজি মে-ডাম-মে-ফী উদযাপন কৰা হয়। বৃহত্তৰ গুৱাহাটী কেন্দ্ৰীয় মে-ডাম-মে-ফী উদযাপন সমিতিৰ উদ্যোগত নটবমাৰ চ্যুকাফা নগৰত দিনজোৰা কাৰ্যসূচীৰে আয়োজিত মে-ডাম-মে-ফীৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে।

বাইট ঃ মুখ্যমন্ত্ৰী

০০০০০

অসম সাহিত্য সভাৰ দ্বাদশ বিশেষ বাৰ্ষিক পঞ্চৰত্ন অধিৱেশন আজিৰেপৰা গুৱাহাটীত অনুষ্ঠিত হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই অধিৱেশনৰ অহা ৩ ফেব্ৰুৱাৰীত সামৰণি পৰিব। আজি পুৱা মূল তোৰণ, মঞ্চ অস্থায়ী কাৰ্যালয় আৰু বিভিন্ন সমন্বয়ক্ষেত্ৰ উদ্বোধন কৰা হয়। বিয়লি ৩ বজাৰ পৰা শ্ৰী শ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত সভাপতি ডং বসন্ত কুমাৰ গোস্বামীৰ পৌৰোহিত্যত অসম সাহিত্য সভাৰ ২০২৫-২৭ কাৰ্যবৰ্ষৰ চতুৰ্থ পূৰ্ণাংগ কাৰ্যনিৰ্বাহক অধিৱেশন অনুষ্ঠিত হৈছে। কাইলৈ পুৱা সভাৰ মূল পতাকা উত্তোলন কৰাৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ প্ৰতিনিধি আৰু অসম সাহিত্য সভাৰ বিষয়ববীয়াই ১১৮ খন পতাকা উত্তোলন কৰিব। দিনৰ ১১ বজাত সভাপতিক লৈ এটা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। ১২ বজাৰ পৰা সাহিত্য উৎসৱ কাৰ্যসূচী অনুষ্ঠিত হ'ব। কাইলৈ সভাৰ প্ৰথম মুকলি অধিৱেশন অনুষ্ঠিত হ'ব।

০০০০০

বজালী জিলাৰ পাঠশালাৰ ভগৱতী ক্ষেত্ৰত জিলা বিজেপিৰ উদ্যোগত আয়োজিত কাৰ্যসূচীত ৰাজ্যৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ ৫ বছৰীয়া কাৰ্যকালৰ খতিয়ান এখন পুস্তিকা উন্মোচন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি মন্ত্ৰী শ্ৰীদাসে বজালী উন্নয়নৰ হকে কাম কৰি যাব বুলি জনসাধাৰণক প্ৰতিশ্ৰুতি দিয়ে।

০০০০

বাক্সা জিলাৰ মুছলপুৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ইউ পি পি এল দলৰ চতুৰ্থ ত্ৰিবাৰ্ষিক অধিবেশনৰ আজি সামৰণি পৰে। দলৰ সভাপতি প্ৰমোদ বড়োৰ সভাপতিত্বত আজি অনুষ্ঠিত মুকলি সভাত ৰাজ্যসভাৰ সাংসদ ৰণগৌৰা নাৰ্জাৰীৰ লগতে দলৰ ভালেমান নেতাকৰ্মী উপস্থিত থাকে। ৰাজ্যৰ সমাগত বিধানসভা নিৰ্বাচনত ইউ পি পি এল দলে বিটিআৰৰ ১৫ টা সমষ্টিতে নিজা প্ৰাৰ্থী প্ৰক্ষেপ কৰিব বুলি প্ৰমোদ বড়োৱে প্ৰকাশ কৰে।

০০০০

ৰাজ্যত পদপথৰ শিশুৰ সংখ্যা পূৰ্বৰ তুলনাত ভালেমান হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। ২০০১ বৰ্ষৰ তুলনাত বৰ্তমান এই হাৰ ৮০ শতাংশলৈ হ্ৰাস পাইছে। পদপথত আশ্ৰিত শিশুৰ সুৰক্ষা আৰু ভৱিষ্যত’ শীৰ্ষক আকাশবাণী গুৱাহাটীৰ ‘দৃষ্টিপাত’ অনুষ্ঠানত অংশ লৈ সক্ৰিয় শিশু অধিকাৰ কৰ্মী তথা সামাজিক বিশ্লেষক জিতু দত্তই এই কথা প্ৰকাশ কৰে। তেওঁ পদপথৰ শিশুৰ সৰ্বতোপ্ৰকাৰৰ সহায়ৰ বাবে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগ তথা সংস্থাই-স্বেচ্ছাসেৱী সংস্থাসমূহৰ সৈতে সমন্বয়ৰে কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

অৰুণিমা গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানত উপস্থিত থাকি শিশু সুৰক্ষাৰ বাবে কাম কৰি অহা সংস্থা Care You 365 ৰ মুৰব্বী ভৃগু বৰঠাকুৰে পিতৃ-মাতৃ সৈতে বিচ্ছিন্ন শিশুৰ পুনৰ সংযোগ স্থাপনৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে শ্ৰীবৰঠাকুৰে Care You 365 সংগঠনটোৰ জৰিয়তে শিশুৰ উদ্ধাৰ আৰু পুনৰ সংস্থাপনৰ বাবে অহৰহ কাম কৰি আহিছে। অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

শ্ৰীভূমি জিলাৰ বদৰপুৰৰ শ্ৰীগৌৰী অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি এখন যাত্ৰীবাহী ট্ৰেভেলাৰৰ সৈতে এখন ডাম্পাৰৰ মুখামুখি খুন্দা লগাৰ ফলত দুজন লোকৰ থিতাতে মৃত্যু হোৱাৰ বিপৰীতে ২০ জন লোক গুৰুতৰভাৱে আহত হয়। আহত লোকসকলক শিলচৰ মেডিকেল কলেজ আৰু কৰিমগঞ্জ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

ইফালে, দৰং জিলাৰ মঙলদৈত এটা নিচামুক্তি কেন্দ্ৰত আজি এজন আৱাসীৰ মৃতদেহ উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে মৰনোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃঃঃঃঃঃঃ